# প্ৰস্তাৱনা

বাৰ্ধক্য মানৱ-জীৱনৰ বিকাশৰ এক স্বাভাৱিক ৰূপ। পুৰাণ-মহাভাৰতৰ দিনৰে পৰা বাৰ্ধক্যক লৈ বহু আখ্যান-উপাখ্যান প্ৰচলন হৈ আছে। মহাভাৰতৰ 'যযাতি উপাখ্যান'ত শুক্ৰাচাৰ্যৰ অভিশাপত অভিশপ্ত যযাতিৰ জীৱনলৈ নামি অহা অকাল বাৰ্ধক্য বৰ্ণিত হৈছে। গৌতম বুদ্ধই বাৰ্ধক্যৰ অসহনীয় কষ্টৰ পৰা পৰিত্ৰাণৰ নিমিত্তে সাধনাত ব্ৰতী হোৱাৰ দৃষ্টান্ত ইতিহাসত পৰিদৃষ্ট। শৈশৱ, কৈশোৰ, যৌৱন আৰু প্ৰৌঢ়ত্বৰ দৰে বাৰ্ধক্য জীৱন পৰিৱৰ্তনৰ এটি স্তৰ, যাৰ নিজা ৰীতি আৰু বৈশিষ্ট্য বিদ্যমান। চিকিৎসাবিজ্ঞানৰ দ্ৰুত প্ৰগতি, বিজ্ঞান-প্ৰযুক্তিবিদ্যা-শিল্পবিজ্ঞানৰ উন্নতি, সুস্থ জীৱন যাপন প্ৰণালী আৰু জীৱন-সচেতনতাই বৃদ্ধ লোকৰ আয়ুসৰ সীমা পূৰ্বতকৈ বৃদ্ধি কৰিছে আৰু ফলস্বৰূপে সমাজ আৰু পৰিয়ালত শুভ-অশুভ দুয়োটা দিশতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে প্ৰতিক্ৰিয়াৰ ফলত বৃদ্ধসকলৰ মনত কিছুমান বিশেষ কাৰকে প্ৰভাৱ পেলোৱা দেখা গৈছে।

## ০.১ বিষয়ৰ পৰিচয় ঃ

অতীতৰ পৰা এটা যুগৰ, এটা জাতিৰ বা এখন সমাজৰ, সামাজিক জীৱনৰ সাক্ষ্য বহন কৰা সৃষ্টিশীল সাহিত্যই সকলো সময়তে সমাজৰ প্ৰকৃত ছবিখন নিজৰ জ্ঞাতে বা অজ্ঞাতে সংৰক্ষণ কৰি থয়। সেয়েহে গৱেষণাগাৰৰ তথ্য বা নিৰ্দিষ্ট পদ্ধতিৰ যোগেদি আহৰণ কৰা তালিকাতকৈ অধিক নিৰ্ভৰশীল কিছুমান সত্যৰ সন্ধান পাব পাৰি সৃষ্টিশীল সাহিত্য, বিশেষকৈ উপন্যাসত। উপন্যাসৰ কাহিনী আৰু চৰিত্ৰই সমাজৰ বহুতো সঁচা ছবি ধৰি ৰাখে। সেয়েহে সমাজত নাৰীৰ স্থান, জাতিভেদ অথবা সম্প্ৰদায়-ভেদ, বৃদ্ধসকলৰ সামাজিক অৱস্থিতিৰ স্বৰূপ অধ্যয়ন আদি বিবিধ বিষয়ত উপন্যাস-সাহিত্যই প্ৰভূত পৰিমাণে সহায় কৰিব পাৰে।

মিছনেৰী বা অৰুণোদয় যুগতে অসমীয়া আখ্যানপ্ৰধান সাহিত্যৰ বিকাশ হৈছিল যদিও সেয়া উপন্যাস নামৰ কথাশিল্পলৈ উন্নীত হ'ব পৰা নাছিল। অসমীয়া উপন্যাসৰ প্ৰকৃত সম্প্ৰসাৰণ ঘটে বিংশ শতাব্দীৰ পৰা। দ্ৰুত নগৰীকৰণ, ঔদ্যোগিক বিকাশ, শ্ৰেণীসংগ্ৰাম, উচ্চ শিক্ষাৰ প্ৰসাৰ,

ব্যক্তিচেতনা, আঞ্চলিক দেশাত্মবোধ, সমাজ-বাস্তৱতা, আৰ্থিক সমস্যা, যৌথ পৰিয়ালৰ ভাঙোন আদি এশ-এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত অসমীয়া সমাজৰ পূৰ্ণ প্ৰতিফলন কথাসাহিত্য উপন্যাসৰ মাজেৰে ঔপন্যাসিকে বিংশ শতিকাৰ পৰা তুলি ধৰিবলৈ যত্ন কৰে। তদুপৰি মানৱ-জীৱনৰ বিচিত্ৰ আৰু ব্যাপক অভিজ্ঞতাসমূহ চৰিত্ৰৰ বিচিত্ৰতাৰে উপন্যাসত উপস্থাপন কৰা পৰিলক্ষিত হৈছে।

'ৰামধেনু'ৰ পৰৱৰ্তী সময়ত অসমীয়া উপন্যাস-সাহিত্যৰ সমৃদ্ধি আৰু বিকাশত একাংশ প্ৰতিভাশালী ঔপন্যাসিকৰ অৱদান এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ। বিশেষকৈ বিংশ শতিকাৰ পঞ্চাশ-ষাঠিৰ দশকৰ পৰা আত্মপ্ৰকাশ কৰা লেখকসকলৰ সৃষ্টিশীল চেতনা, প্ৰসাৰিত দৃষ্টিভংগী, আধুনিক শিক্ষাৰ প্ৰভাৱ আৰু দেশী-বিদেশী সাহিত্যৰ অধ্যয়নে অসমীয়া উপন্যাস-সাহিত্যৰ ভঁৰাল বিশাল আৰু সমৃদ্ধিশালী কৰি তোলে। পাশ্চাত্য উপন্যাসৰ আধাৰত ৰচিত অসমীয়া উপন্যাসত বিংশ শতিকাৰ ষাঠিৰ দশকৰ পৰা সমাজৰ আন আন সমস্যাৰ লগতে মনস্তাত্ত্বিক দিশৰ ক্ষীণ প্ৰভাৱ এটি দেখা যায়। বিংশ শতিকাৰ সত্তৰৰ দশকত শিল্পবিপ্লৱৰ দ্ৰুত প্ৰগতিয়ে নগৰমুখী জীৱনৰ সূচনা কৰাত বৃত্তি আৰু চাকৰিজীৱী লোকসকল দূৰ-দূৰণিলৈ চাকৰিৰ সন্ধানত ঢাপলি মেলিবলৈ ধৰে। ফলস্বৰূপে সমাজৰ যৌথ পৰিয়াল প্ৰথাৰ অৱসান ঘটি একক পৰিয়ালৰ সূচনা হয়। সময় আৰু পৰিৱেশে সলনি কৰা কৰ্মব্যস্ততাত ব্যক্তিৰ জীৱনশৈলীলৈও পৰিৱৰ্তন আহে। স্ত্ৰীশিক্ষাৰ প্ৰসাৰ, চাকৰিজীৱী মহিলাৰ কৰ্মসংস্থাপন আদি কাৰকে পৰিয়াল ব্যৱস্থাপনাত প্ৰভাৱ পেলায়। ভোগবাদী সমাজত ব্যক্তিৰ জীৱনবোধ, ৰুচিবোধ, মূল্যবোধ, দৃষ্টিভংগী আৰু মানসিকতাৰো পৰিৱৰ্তন পৰিলক্ষিত হয়। এনে পৰিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সমাজ আৰু পৰিয়ালকেন্দ্ৰিক জীৱনলৈ এক প্ৰত্যাহ্বান আহে। বিশেষকৈ পৰিয়ালকেন্দ্ৰিক সমাজ-ব্যৱস্থাত বৃদ্ধ আৰু কনিষ্ঠ— এই দুই প্ৰজন্ম সাম্প্ৰতিক সময়ত অকলশৰীয়া আৰু নিঃসংগ হৈ পৰিছে। সাহিত্যৰ ভিন ভিন শাখাত বৃদ্ধ লোকৰ এনে মানসিক নিঃসংগতাৰ প্ৰতিফলন ঘটা দেখা যায়। শাৰীৰিক-মানসিক-আৰ্থিক-সামাজিক-সাংস্কৃতিক দিশত অসহায় বৃদ্ধ লোকৰ জীৱনৰ বাস্তৱ চিত্ৰ উপস্থাপন কৰিবলৈ একাংশ ঔপন্যাসিকে কলাসুলভ মাধ্যম উপন্যাসৰ সহায় লৈছে। মানৱ-জীৱনৰ পূৰ্ণৰূপ প্ৰকাশৰ মাধ্যম উপন্যাসৰ জৰিয়তে বাৰ্ধক্যৰ দৰে এটি মননশীল, সংবেদনশীল আৰু জটিল বিষয়ক বাস্তৱ ৰূপত দাঙি ধৰিবলৈ একাংশ ঔপন্যাসিকে

বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা প্ৰচেষ্টা চলায়। কালানুক্ৰমিক বয়স (Chronological age)ক কেন্দ্ৰ কৰি, সমাজৰ ধামখুমীয়াত, পৰিস্থিতিসাপেক্ষে একো একোটি দ্বন্দ্বৰ সন্মুখীন হোৱা বৃদ্ধ লোকৰ জীৱন-কাহিনী অথবা চৰিত্ৰক পটভূমি হিচাপে লৈ একাংশ ঔপন্যাসিকে অসমীয়া উপন্যাসক বাস্তৱ ৰূপ দিয়ে। সাম্প্ৰতিক সমাজত বৃদ্ধ লোকৰ প্ৰতি কনিষ্ঠ প্ৰজন্মৰ শ্ৰদ্ধা-সন্মান পূৰ্বতকৈ কমি অহা দৃষ্টিগোচৰ হৈছে। পাশ্চাত্যক অনুকৰণ কৰিব খোজা সাম্প্ৰতিক তৰুণ প্ৰজন্মই বাৰ্ধক্যক এক অপৰাধ বুলি গণ্য কৰিবলৈ লৈছে। সমাজ আৰু পৰিয়ালত অনাদৰ, অৱহেলা, অৱজ্ঞা, উপেক্ষা আৰু অপদস্থ হোৱা বৃদ্ধসকল আনৰ বোজা হোৱাৰ আশংকাত হতাশ হৈ পৰিছে। বৃদ্ধ লোকৰ সমস্যা পাশ্চাত্যৰ উন্নত দেশবোৰৰ লগতে প্ৰাচ্যৰ উন্নয়নশীল দেশলৈও বিয়পিবলৈ ধৰিছে। ফলস্বৰূপে বৃদ্ধ লোকৰ শাৰীৰিক, মানসিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সমস্যাসমূহে আন্তঃৰাষ্ট্ৰীয় সমস্যাৰূপেও ধৰা দিছে। বৃদ্ধ লোকৰ ন ন সমস্যাসমূহৰ অসমীয়া উপন্যাসত কেনেদৰে প্ৰতিফলন ঘটিছে, জনাৰ আগ্ৰহতে **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** বিষয়টো গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে।

### ০.২ গৱেষণাৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ

▪ অসমীয়া ঔপন্যাসিকসকলে পাৰিবাৰিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশৰ সমলেৰে অসমীয়া উপন্যাস-সাহিত্যক সমৃদ্ধিশালী কৰিছে। কিন্তু মানৱ-জীৱনৰ শেষ স্তৰ বাৰ্ধক্যৰ দৰে মননশীল আৰু সংবেদনশীল বিষয়ত চকুত পৰা আলোচনা অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনত আজিকোপতি দেখা নগ'ল। সেইবাবে এই গৱেষণাৰ গুৰুত্ব আছে।

▪ উপন্যাসত প্ৰকাশিত বৃদ্ধ লোকৰ মানসিক অৱস্থাৰ প্ৰতিফলন আৰু সমাজ-সচেতনতাই বিষয়টো অধ্যয়নৰ আন এক গুৰুত্বপূৰ্ণ দিশ।

▪ যিসকল লেখকে এনে গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আনিছে, তেওঁলোকৰ উপন্যাসৰ সফলতা বা সীমাবদ্ধতা আলোচনা কৰি বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰতি লেখক আৰু পঢ়ুৱৈক সজাগ কৰাত এই গৱেষণাই গুৰুত্বমূলক স্থান অধিকাৰ কৰিব পাৰিব।

▪ এই গৱেষণা-গ্ৰন্থত প্ৰকাশ পোৱা নতুন নতুন দিশসমূহে বৃদ্ধ-মনস্তত্ত্ব অধ্যয়নৰ বাবে পৰিয়াল

আৰু সমাজক উৎসাহিত কৰি সমস্যা সমাধানৰ পথ মুকলি কৰিব।

**গৱেষণাৰ উদ্দেশ্য ঃ**

সমাজ এখন বৰ্তি থাকিবলৈ সকলো শ্ৰেণী মানুহৰ নিৰাপত্তা আৰু সকলোৰে মাজত সমিলমিলৰ প্ৰয়োজন। মানৱীয় প্ৰমূল্যৰ বিকাশসাধন কৰিবলৈ গৱেষণাৰ বিষয়টোৰ কেইটামান উদ্দেশ্যত আলোকপাত কৰিব বিচৰা হৈছে। বিষয়টোৰ মূল উদ্দেশ্যসমূহ হ'ল—

■ অসমীয়া উপন্যাস-সাহিত্যত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ স্থান নিৰূপণ কৰা।

■ বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত থকা বৃদ্ধ লোকৰ কালানুক্ৰমিক বয়সত গুৰুত্ব দিয়া আৰু উপন্যাসত তাৰ প্ৰতিফলন বিচাৰ কৰা।

■ সাম্প্ৰতিক সমাজত মানৱীয় আৰু শৈক্ষিক মূল্যবোধৰ অভাৱ, আদৰ্শৰ সংঘাত, প্ৰজন্মৰ ব্যৱধান, কনিষ্ঠ প্ৰজন্মৰ সংস্কাৰ আৰু আচাৰ-আচৰণ সংযত নোহোৱাৰ নানা অভিযোগৰ ভিত্তি অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত পৰ্যবেক্ষণ কৰা।

■ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিফলিত বৃদ্ধ লোকৰ শাৰীৰিক ৰোগ আৰু সুপ্ত মানসিক সমস্যাই শাৰীৰিক-মানসিক, সামাজিক-আৰ্থিক-সাংস্কৃতিক দিশত সৃষ্টি কৰা যন্ত্ৰণাৰ ন ন ৰূপ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰত্যক্ষ কৰা।

■ বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ কাৰকসমূহে অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত কেনে লক্ষণীয় দিশত ধৰা দিছে সেই বিষয়ে পুংখানুপুংখভাৱে অধ্যয়ন কৰা।

■ পুৰুষ আৰু মহিলা বৃদ্ধসকলৰ নিঃসংগতাৰ বেদনা অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বিচাৰ কৰা।

■ সময় আৰু পৰিৱেশে বৃদ্ধসকলৰ জীৱনলৈ অনা প্ৰত্যাহ্বানৰ স্বৰূপ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰত্যক্ষ কৰা।

■ বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০) আৰু বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰে অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ভাব আৰু লক্ষণৰ পৰিৱৰ্তন বিশ্লেষণ কৰা।

■ অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰে সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ মূল্যায়ন কৰা।

**০.৩ গৱেষণাৰ ক্ষেত্ৰ আৰু পৰিসৰ ঃ**

গৱেষণাৰ বাবে নিৰ্বাচিত বিষয়ৰ ক্ষেত্ৰ প্ৰধানকৈ সাহিত্যিক মূল্যৰ ভেটিত বাছনি কৰা হৈছে। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ নিৰ্বাচিত ঔপন্যাসিকৰ উপন্যাসৰ আধাৰত **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** গৱেষণাৰ বিষয়টোৰ বিশ্লেষণ কৰিব বিচৰা হৈছে। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ মূলতঃ চাৰিজন প্ৰতিষ্ঠিত ঔপন্যাসিকৰ নিৰ্বাচিত চাৰিখন উপন্যাসক ক্ষেত্ৰ আৰু পৰিসীমাৰ মাজত সীমাৰদ্ধ কৰা হৈছে। গৱেষণাৰ মূল উপন্যাসকেইখন ক্ৰমে নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬), অৰুণ শৰ্মাৰ *উভলা শিপা* (১৯৭৯), হোমেন বৰগোহাঞিৰ *অস্তৰাগ* (১৯৮৬) আৰু শীলভদ্ৰৰ *অনুসন্ধান* (১৯৮৭)। বিংশ শতিকাৰ তিনি দশকৰ ঔপন্যাসিক চাৰিগৰাকীৰ উপন্যাস নিৰ্বাচনৰ প্ৰধান কাৰণকেইটা হ'ল— ঔপন্যাসিককেইগৰাকী বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ প্ৰতিনিধিত্বমূলক ঔপন্যাসিক। নিৰ্বাচিত চাৰিওখন উপন্যাসৰ ৰচনাৰ পৰিসীমা বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্ভুক্ত। উপন্যাস চাৰিখনৰ কাহিনী আৰু চৰিত্ৰৰ মূল পটভূমি বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত। প্ৰতিখন উপন্যাসতে বৃদ্ধ লোকৰ শাৰীৰিক-মানসিক, সামাজিক-আৰ্থিক-সাংস্কৃতিক সমস্যাই মূৰ দাঙি উঠিছে। চাৰিওখন উপন্যাসৰ শিৰোনামে প্ৰতীকী অৰ্থত বাৰ্ধক্যৰ ইংগিত বহন কৰিছে। তদুপৰি কলাকৌশলৰ ফালৰ পৰাও উপন্যাসকেইখন সফল উপন্যাস।

গৱেষণাৰ বিষয়বস্তুৰ পৰিসৰ কুৰি শতিকাৰ তিনি দশক (১৯৬১-১৯৯০) হিচাপে সীমাৰদ্ধ কৰা হৈছে। এই তিনি দশক নিৰ্বাচনৰ মূল কাৰণ হ'ল— বিংশ শতিকাৰ সত্তৰৰ দশকটো অসমীয়া

উপন্যাসৰ ক্ষেত্ৰত এটি উল্লেখনীয় দশক। সামাজিক, পাৰিবাৰিক, ৰাজনৈতিক, প্ৰশাসনিক আৰু ব্যৱসায়িক দিশত ঘটা নতুন নতুন পৰিৱৰ্তন, নগৰকেন্দ্ৰিক সভ্যতাৰ বিকাশ, দ্ৰুত সামাজিক পৰিৱৰ্তন, কৃষিকেন্দ্ৰিক সমাজ-জীৱনৰ পৰা আঁতৰি বৃত্তি আৰু চাকৰিৰ সন্ধানত নগৰলৈ কৰা প্ৰব্ৰজন, ব্যক্তিৰ সামাজিক চৰিত্ৰৰ বিপৰীতে গঢ় লৈ উঠা ব্যক্তিকেন্দ্ৰিক চেতনা, পাৰিবাৰিক জটিলতা, যৌথ পৰিয়াল আৰু পৰম্পৰাগত পাৰিবাৰিক জীৱনত সৰু সৰু একক পৰিয়ালৰ প্ৰাধান্য, আধুনিক মানুহৰ ন ন চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰতিফলন, নিঃসংগতাৰ বেদনা, একাকিত্ব আৰু অন্তৰ্মুখী চৰিত্ৰৰ বিকাশ, মহিলাৰ কৰ্মসংস্থাপন, মধ্যবিত্ত আৰু নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ নানান সমস্যা আৰু এই সমস্যাসমূহ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন বিষয়ৰ সৈতে জড়িত। শিল্পবিদ্যা আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা মানুহৰ জীৱনযাত্ৰা জয়জয়কাৰ হ'বলৈ ধৰে। ফলস্বৰূপে সামাজিক আৰু পৰিয়ালকেন্দ্ৰিক জীৱনলৈ প্ৰত্যাহ্বান আহে। সময় আৰু পৰিৱেশৰ লগত খোজ মিলাই চলিব নোৱৰা একাংশ বৃদ্ধ লোকৰ জীৱনযাত্ৰা বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰাই স্থবিৰ হ'বলৈ ধৰে। শাৰীৰিক, মানসিক, আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক দিশত জুৰুলা হৈ পৰা বৃদ্ধসকলক লৈ বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা একাংশ অসমীয়া ঔপন্যাসিকে উপন্যাস ৰচনা কৰিবলৈ লয়। পৰিৱৰ্তিত সময় আৰু পৰিৱেশৰ দ্ৰুত সামাজিক পৰিৱৰ্তনত বৃদ্ধসকলৰ জীৱনযাত্ৰাৰ স্বৰূপ জনাৰ আগ্ৰহতে গৱেষণাৰ পৰিসীমা বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০) হিচাপে সীমাবদ্ধ কৰা হৈছে।

**অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** গৱেষণাৰ বিষয়টো অতিকে সংবেদনশীল, মননশীল আৰু জটিল বিষয়। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বহুকেইখন অসমীয়া উপন্যাস ছপা আকাৰত পুনৰ মুদ্ৰণ হোৱা নাই। তদুপৰি আলোচনীৰ পাতত থকা কেইবাখনো উপন্যাস পুনৰুদ্ধাৰ নোহোৱাত সেইসমূহ উপন্যাসক গৱেষণাৰ আলোচনালৈ আনিব পৰা নগ'ল।

## ০.৪ তথ্যৰ উৎস আৰু পদ্ধতি ঃ

গৱেষণাৰ বাবে ব্যৱহৃত সমলসমূহৰ উৎস প্ৰধানতঃ মুখ্য আৰু গৌণ— দুটা ভাগত ভাগ

কৰা হৈছে। গৱেষণাৰ বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি তৃতীয় অধ্যায়টি আমাৰ গৱেষণা-গ্ৰন্থৰ মূল অধ্যায়। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ চাৰিগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিকৰ চাৰিখন মূল উপন্যাস আৰু বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত তেওঁলোকৰ অন্যান্য উপন্যাসক ৰচনাৰ ক্ৰম অনুসৰি বিশ্লেষণ কৰিবলৈ বিচৰা হৈছে। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬), অৰুণ শৰ্মাৰ *উভলা শিপা* (১৯৭৯), হোমেন বৰগোহাঞিৰ *অস্তৰাগ* (১৯৮৬) আৰু শীলভদ্ৰৰ *অনুসন্ধান* (১৯৮৭) উপন্যাসক মুখ্য উৎস হিচাপে লোৱা হৈছে। ঔপন্যাসিককেইগৰাকীৰ অন্যান্য উপন্যাস আৰু বিষয়-প্ৰসংগীয় আলোচনা থকা অন্যান্য প্ৰসংগ-গ্ৰন্থসমূহক গৌণ উৎসৰ অন্তৰ্ভুক্ত কৰা হৈছে। গৱেষণাৰ বিষয়টোৰ বাবে মনস্তত্ত্ব, বাৰ্ধক্য-প্ৰসংগীয় গ্ৰন্থ আৰু অসমীয়া মনস্তত্ত্বমূলক বহুকেইখন উপন্যাস আৰু উপন্যাসমূহৰ আলোচনা থকা প্ৰসংগ-গ্ৰন্থ, আলোচনী, গৱেষণা-গ্ৰন্থক গৌণ সমলৰ ভিতৰত সামৰা হৈছে। অন্যান্য ভাষাৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ক্ষেত্ৰত ইংৰাজী, বাংলা আৰু হিন্দী সাহিত্যৰ কেইখনমান উপন্যাসক গৌণ সমলৰ অন্তৰ্ভুক্ত কৰা হৈছে।

গৱেষণাৰ সমলসমূহ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল (গুৱাহাটী বিশ্ববিদ্যালয়), লক্ষ্মীনাথ বেজবৰুৱা পুথিভঁৰাল (ডিব্ৰুগড় বিশ্ববিদ্যালয়), মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় পুথিভঁৰাল, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় পুথিভঁৰাল, জিলা পুথিভঁৰাল (নগাঁও) আৰু ব্যক্তিগত কেইবাটাও পুথিভঁৰালৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। অসমৰ নগাঁও জিলাৰ ৰাঙলুত অৱস্থিত 'গ্ৰামবিকাশ কেন্দ্ৰ'ৰ অন্তৰ্গত বৃদ্ধাশ্ৰমখনৰ বৃদ্ধ আৱাসীসকলৰ শাৰীৰিক-মানসিক-সামাজিক আৰু পৰিয়ালকেন্দ্ৰিক বহু অভিযোগ আৰু বাৰ্ধক্যৰ সমস্যা প্ৰত্যক্ষ কৰা হৈছে। বৃদ্ধাশ্ৰমখনৰ বৃদ্ধসকলৰ মনৰ জটিলতা আৰু নিঃসংগতাৰ বেদনা, গৱেষণা-গ্ৰন্থত সন্নিৱিষ্ট বহুকেইখন উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মানসিক সংঘাতৰ লগত সাদৃশ্য পোৱা গৈছে।

গৱেষণা-কাৰ্যৰ বাবে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতিকে গ্ৰহণ কৰা হৈছে। বিষয়টোৰ অধ্যয়ন উপন্যাসকেন্দ্ৰিক হোৱা বাবে বৰ্ণনাত্মক পদ্ধতিৰো প্ৰয়োজন অনুসাৰে সহায় লোৱা হৈছে। তদুপৰি বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাসমূহ স্পষ্ট কৰিবলৈ বিচৰা হৈছে। বিংশ শতিকাৰ শেষ আৰু একবিংশ

শতিকাৰ কেইখনমান অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি তুলনামূলক আলোচনা বিষয় প্ৰসংগত উত্থাপন কৰিব লগা হৈছে। তাৰ বাহিৰেও অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি তুলনামূলক খতিয়ান দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

**০.৫ পূৰ্বকৃত সাহিত্যৰ অধ্যয়ন ঃ**

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ যিকেইখন মূল উপন্যাসক আধাৰ হিচাপে লৈ গৱেষণা-কৰ্মটি আগুৱাই নিবলৈ বিচৰা হৈছে, সেইকেইখন উপন্যাসৰ আলোচনা আৰু ঔপন্যাসিককেইগৰাকীৰ ৰচনাৰ কৌশলৰ বিষয়ে তলৰ প্ৰসংগ-গ্ৰন্থকেইখনত উল্লেখ পোৱা গৈছে। প্ৰফুল্ল কটকীৰ *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা* শীৰ্ষক গ্ৰন্থত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসখনৰ বিশ্লেষণ পোৱা গৈছে। *নিৰুপমা বৰগোহাঞিৰ উপন্যাস এটি পৰ্যালোচনা* শীৰ্ষক গ্ৰন্থত দীপিকা শৰ্মাই নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ এটি বিস্তৃত আলোচনা আগবঢ়াইছে। নবীন বৰুৱাৰ সম্পাদনা আৰু নিকুমণি হুছেইনৰ সহযোগত ৰচিত *নীলকণ্ঠী নিৰুপমা* শীৰ্ষক গ্ৰন্থখনিত নিৰুপমা বৰগোহাঞিৰ উপন্যাস-সমগ্ৰৰ বিস্তৃত আলোচনা পোৱা গৈছে।

অৰুণ শৰ্মাৰ *উভলা শিপা* উপন্যাসখনৰ আলোচনা *এশ বছৰৰ অসমীয়া উপন্যাসত* সূৰ্য দাসে বিস্তৃত ৰূপত দাঙি ধৰিছে। ৰঞ্জন ভট্টাচাৰ্যৰ *অৰুণ শৰ্মাৰ নাটক ঃ সমীক্ষাত্মক বিশ্লেষণত* অৰুণ শৰ্মাৰ সাহিত্যকৃতি আৰু উপন্যাস-সমগ্ৰৰ আলোচনা পোৱা গৈছে। অনুভৱ পৰাশৰ আৰু গোপাল জালান সম্পাদিত 'আলোকপাত' নামৰ আলোচনীত অৰিন্দম বৰকটকীয়ে *উভলা শিপা* উপন্যাসৰ এটি আকৰ্ষণীয় আলোচনা আগবঢ়াইছে।

সত্যেন্দ্ৰ নাথ শৰ্মাই *অসমীয়া উপন্যাসৰ গতিধাৰা* আৰু *অসমীয়া উপন্যাসৰ ভূমিকা* শীৰ্ষক গ্ৰন্থ দুখনিত অসমীয়া উপন্যাস সম্পৰ্কে আলোচনা কৰিছে। *অসমীয়া উপন্যাসৰ গতিধাৰাত* অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ এটি বিশ্লেষণ পোৱা গৈছে। অমল চন্দ্ৰ দাসৰ সম্পাদনাত প্ৰকাশিত *অসমীয়া উপন্যাস পৰিক্ৰমা* গ্ৰন্থত নিৰুপমা বৰগোহাঞি, অৰুণ শৰ্মা, হোমেন বৰগোহাঞি, শীলভদ্ৰৰ লগতে আন আন বহুতো ঔপন্যাসিকৰ উপন্যাসৰ বিস্তৃত আলোচনা আছে। হোমেন বৰগোহাঞি সম্পাদিত,

'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পৰিৱৰ্ধিত সংস্কৰণ, *ষষ্ঠ খণ্ড*)ত সন্নিৱিষ্ট গোৱিন্দ প্ৰসাদ শৰ্মাৰ 'অসমীয়া উপন্যাসৰ ধাৰা' আৰু এম. কামালুদ্দিন আহমেদৰ 'অসমীয়া উপন্যাস (১৯৯৩-২০১০)' শীৰ্ষক প্ৰবন্ধ দুটিয়ে অসমীয়া উপন্যাসৰ যথেষ্ট সমল দিছে। চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'গৰীয়সী' (ডিচেম্বৰ, ১৯৯৮)ত হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসৰ বিশ্লেষণ প্ৰসংগত কৰবী ডেকা হাজৰিকাৰ 'পিতা-পুত্ৰ' নামৰ এটি প্ৰবন্ধ প্ৰকাশ পায়। প্ৰবন্ধটিত কৰবী ডেকা হাজৰিকাই বাৰ্ধক্যৰ মনস্তাত্ত্বিক দিশৰ লগতে প্ৰজন্মৰ ব্যৱধানে অনা মানসিক অন্তৰায়ৰ চিত্ৰ ফুটাই তুলিছে। জয়ন্ত কুমাৰ বৰাৰ *হোমেন বৰগোহাঞিৰ উপন্যাসৰ শিল্প-বৈভৱ* শীৰ্ষক গ্ৰন্থত হোমেন বৰগোহাঞিৰ উপন্যাসৰ এক বিস্তৃত আৰু বিশ্লেষণাত্মক বৰ্ণনা পোৱা গৈছে। *আধুনিক অসমীয়া উপন্যাসৰ শিল্পৰীতি ঃ এক সমীক্ষাত্মক অধ্যয়ন* গ্ৰন্থত প্ৰদীপ কুমাৰ বৰুৱাই হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসৰ বিষয়বস্তু আৰু শিল্পৰীতিৰ আভাস দিছে। বৰুৱাই গ্ৰন্থখনিত আধুনিক অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াইছে। কৃষ্ণ কুমাৰ মিশ্ৰৰ *প্ৰসংগ ঃ উপন্যাস* গ্ৰন্থত 'হোমেন বৰগোহাঞিৰ অস্তৰাগ' নামৰ এটি প্ৰবন্ধ পোৱা গৈছে। খগেশ সেন ডেকা, নৰেন চন্দ্ৰ দাস আৰু উমেশ চন্দ্ৰ ডেকাৰ যুটীয়া প্ৰচেষ্টাত *অসমীয়া ভাষা সাহিত্য সংস্কৃতি বীথিকা* গ্ৰন্থত নৰেন চন্দ্ৰ দাসে "হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' ঃ এটি বিশ্লেষণ"ৰ এটি আলোচনা আগবঢ়াইছে। গোৱিন্দ প্ৰসাদ শৰ্মাৰ *অসমীয়া উপন্যাসৰ ইতিহাস* আৰু *অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি*— দুয়োখন গ্ৰন্থতে অসমীয়া উপন্যাস সম্পৰ্কীয় বহু দিশ আলোচনা কৰিছে। শৈলেন ভৰালীৰ *উপন্যাস বিচাৰ আৰু বিশ্লেষণ* আৰু *অসমীয়া ঐতিহাসিক উপন্যাস*— এই দুয়োখন গ্ৰন্থতে অসমীয়া উপন্যাস সম্পৰ্কীয় বহু দিশ আলোচনা কৰিছে। শৈলেন ভৰালীৰ *উপন্যাস বিচাৰ আৰু বিশ্লেষণ, অসমীয়া ঐতিহাসিক উপন্যাস*-- গ্ৰন্থ দুখনত অসমীয়া উপন্যাসৰ বহু তথ্য পোৱা গৈছে। লীলা গগৈ সম্পাদিত *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*ত উপন্যাস সম্পৰ্কীয় দিশসমূহ সবিস্তাৰে আলোচনা কৰিছে। অমৃত কুমাৰ উপাধ্যায়ৰ দ্বাৰা সম্পাদিত *নিৰ্বাচিত অসমীয়া উপন্যাসৰ বিচাৰ-বিশ্লেষণ* গ্ৰন্থত লুইছ গগৈৰ প্ৰবন্ধ 'পিতা-পুত্ৰ উপন্যাসত সমাজ আৰু ৰাজনীতি', গকুল কুমাৰ দাসৰ প্ৰবন্ধ "'পিতা-পুত্ৰ' উপন্যাসত নামকৰণ, প্ৰজন্মৰ ব্যৱধান আৰু মনোদ্বন্দ্ব' বিষয়ক এক মনস্তাত্ত্বিক বিশ্লেষণ পোৱা গৈছে।

করুণা পাঠকৰ *অসমীয়া উপন্যাসত এভুমুকি* গ্ৰন্থত “শীলভদ্ৰৰ ‘অনুসন্ধান’ আৰু ‘গধূলি’ উপন্যাসত উত্তৰ-স্বাধীনতা যুগৰ অৰ্থনৈতিক চিত্ৰ”ৰ এক আলোচনা পোৱা গৈছে। ‘গৰীয়সী’ আলোচনীত গোৱিন্দ প্ৰসাদ শৰ্মাই ‘যোৱা দুই দশকৰ অসমীয়া উপন্যাস’ শীৰ্ষক এক প্ৰবন্ধত নতুন প্ৰজন্মৰ জীৱন আৰু মূল্যবোধৰ বাস্তৱ স্বৰূপ আৰু উত্তৰ-আধুনিকতাবাদী উপন্যাসৰ ধাৰা সম্পৰ্কে তথ্যৰে বিশ্লেষণ কৰিছে। তদুপৰি পংকজ গোৱিন্দ মেধিয়ে ‘বিগত দহ বছৰৰ অসমীয়া উপন্যাস’ নামৰ এটা প্ৰবন্ধত ২০০৫ চনৰ পৰা ২০১৫ চনলৈকে প্ৰায়বোৰ অসমীয়া ঔপন্যাসিকৰ উপন্যাসৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু সমীক্ষামূলক তথ্য নিজা দৃষ্টিভংগীৰে আলোচনা আগবঢ়াইছে। বিনীতা বৰা দেৱচৌধুৰীৰ *অসমীয়া উপন্যাস পৰিক্ৰমা শীৰ্ষক গ্ৰন্থ*ত অসমীয়া উপন্যাসৰ অন্তৰ্গত বহুকেইখন উল্লেখযোগ্য উপন্যাসৰ বিশ্লেষণাত্মক বৰ্ণনা পোৱা গৈছে। অসমীয়া উপন্যাসৰ সমালোচনাত নতুনকৈ সংযোজিত জয়ন্ত দত্ত আৰু গীতাশ্ৰী শইকীয়াৰ দ্বাৰা সম্পাদিত *একৈশ শতিকাৰ অসমীয়া উপন্যাসৰ ধাৰা* শীৰ্ষক এখন গ্ৰন্থত অসমীয়া বহুকেইখন উপন্যাসক লৈ তৰুণ সমালোচকে নিজৰ নিজৰ সম্পৰীক্ষা চলাইছে। গ্ৰন্থখনত পৌৰাণিক, ঐতিহাসিক, জনজাতীয়, জীৱনীমূলক, কেম্পাছ, লিংগ নিৰ্মাণ প্ৰসংগীয় তথ্যসমৃদ্ধ উপন্যাস আৰু তত্ত্বগত দিশৰ বিশ্লেষণ পোৱা যায়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ন ন দিশ আৰু জীৱনকেন্দ্ৰিক উপন্যাস সন্দৰ্ভতো গ্ৰন্থখনত আলোকপাত কৰিছে। তদুপৰি মানৱ-জীৱনৰ ঐতিহাসিক আৰু সমাজ-জীৱনৰ বিৱৰ্তনৰ বহু চিন্তা আৰু বিচিত্ৰ মনৰ অনুভূতি একাংশ নবীন-প্ৰবীণ ঔপন্যাসিকৰ উপন্যাসত নব্য চিন্তা-চৰ্চাৰে ভুমুকি মাৰিছে।

ৰূণুমী শৰ্মাৰ *বাৰ্ধক্য উপভোগৰ উপায়,* অৰ্পণ দত্তৰ *সমস্যামুক্ত বাৰ্ধক্যৰ আখৰা* আৰু সত্যব্ৰত শৰ্মাৰ *হেঙুলীয়া বিয়লি* শীৰ্ষক তিনিওখন গ্ৰন্থতে বৃদ্ধ লোকৰ নানা ধৰণৰ সমস্যা, সমস্যা সমাধানৰ উপায় আৰু বাৰ্ধক্য উপভোগৰ বিষয়ে সবিস্তাৰে আলোচনা আগবঢ়াইছে।

William Mc Dougall : *An Outline of Psychology,* S. Freud : *The Ego and the Id,* C.W Valentine : *The New Psychology of the Unconscious,* S.P. Chaube : *Developmental Psychology,* Suresh Chandra Dutt : *Psychology* শীৰ্ষক গ্ৰন্থত মনস্তত্ত্ব আৰু বাৰ্ধক্য বিষয়ত আলোকপাত কৰা দৃষ্টিগোচৰ হৈছে।

পূৰ্বৰ অধ্যয়নত অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজী আদি কেইবাখনো গৱেষণা-গ্ৰন্থত গৱেষণাৰ বিষয়ৰ লগত সম্পৰ্ক থকা বহু দিশ পৰিলক্ষিত হৈছে। 'আধুনিক অসমীয়া উপন্যাসৰ শিল্পৰীতি ঃ এক সমীক্ষাত্মক অধ্যয়ন' (প্ৰদীপ কুমাৰ বৰুৱা, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯৮); 'অসমীয়া ঔপন্যাসিকাৰ ৰচনাত নাৰী ঃ এটি অধ্যয়ন, ১৯২৬-১৯৯০' (মামণি গগৈ বৰগোহাঁই, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯৮); 'বিভূতিভূষণ বন্দ্যোপাধ্যায় আৰু চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন' (অঞ্জু বৰা, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০২); 'নিৰুপমা বৰগোহাঞিঃ আৰু আশাপূৰ্ণা দেৱীৰ উপন্যাসত সামাজিক চিত্ৰ আৰু নাৰী চৰিত্ৰ ঃ এটি তুলনামূলক অধ্যয়ন' (ৰীতা চৌধুৰী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৪); 'হোমেন বৰগোহাঞিৰ উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (জয়ন্ত কুমাৰ বৰা, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৪); 'চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰৰ সমীক্ষাত্মক অধ্যয়ন' (সত্যকাম বৰঠাকুৰ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৫); 'অসমীয়া উপন্যাসত ফ্ৰয়েডীয় মনস্তত্ত্বৰ বিকাশ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (বিনীতা নাথ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৭); 'লুম্মেৰ দাইৰ উপন্যাসৰ সামাজিক-সাংস্কৃতিক মূল্যায়ন' (চিত্ৰজিৎ শইকীয়া, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০১৩); 'শীলভদ্ৰৰ কথা-সাহিত্য ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (জোনালী ডেকা, আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৩); 'কুৰি শতিকাৰ নৱম-দশকৰ অসমীয়া উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (কৰুণা পাঠক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৩); 'সত্যপ্ৰসাদ বৰুৱাৰ নাট্যকৃতি' (মিনতি পাঠক হাজৰিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৬); 'অসমীয়া উপন্যাসত আধুনিকতাবাদ' (সোণপাহি মৰাং, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৭); 'হোমেন বৰগোহাঞিৰ উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (গগন শৰ্মা, আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৮); 'দর্শন, সাহিত্য ও সমাজবিজ্ঞানের দৃষ্টিভঙ্গী থেকে বার্ধক্য' (স্বাতী রক্ষিত, দর্শন বিভাগ, যাদবপুর বিশ্ববিদ্যালয়, ২০১৬); कल्पेश आई, मेकवान : निर्मल वर्मा के उपन्यास : एक अध्ययन, हिन्दी विभाग, सरदार पटेल विश्वविद्यालय, २०१०; ACTIVITY AND QUALITY OF LIFE AMONG OLDER PERSONS IN SALEM DISTRICT, TAMILNADU (K. Maheswari,

Bharathidasan University, Department of Social work, 2006); HEALTH AND NUTRITION PROFILE : A STUDY IN OLD AGE HOMES AT ERNAKULAM, KERALA (G.V. Manu, Mahatma Gandhi University, Department of Home Science, 2007); SOCIO-ECONOMIC AND HEALTH CONDITIONS OF ELDERLY IN PUNJAB - AN ANALYSIS (Marya Nisha, Punjabi University, Department of Economics, 2013); PRACTICE OF SMALL FAMILY NORM AND ITS IMPACT ON OLD AGE PARENTS (Bellad Vishwanath, Gulbarga University, Kalaburagi, Department of Sociology, 2015) আদি বহুকেইখন গৱেষণা-গ্ৰন্থই গৱেষণা-কৰ্মটিৰ পূৰ্বৰ অধ্যয়নৰ সমীক্ষাত অৰিহণা যোগাইছে।

অসমীয়া লোকসাহিত্য, কবিতা, নাটক, চুটিগল্প, উপন্যাস আৰু প্ৰবন্ধ সম্পৰ্কীয় আলোচনাৰ বাবে সত্যেন্দ্ৰ নাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* আৰু মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*কে আদি কৰি কেইবাখনো অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সহায় লোৱা হৈছে। 'ৰামধেনু', 'প্ৰান্তিক', 'গৰীয়সী', 'সাতসৰী' আৰু 'শ্ৰীমন্ত শংকৰ সংঘ'ৰ বছৰেকীয়া আলোচনী ইত্যাদি অসমীয়া সাহিত্যৰ কেইখনমান মূল্যৱান আলোচনী-পত্ৰিকাৰ বিষয়-প্ৰসংগীয় তথ্যই গৱেষণাৰ পূৰ্বৰ অধ্যয়নত সহায় কৰিছে। তদুপৰি তথ্য-প্ৰযুক্তিবিদ্যাৰ মাধ্যম ইণ্টাৰনেট, ৱেবছাইট, 'ইউটিউব'ৰ পৰা সংগৃহীত তথ্যই গৱেষণা-কৰ্মটি সমাপন কৰাত উপকৃত কৰিছে।

পূৰ্বৰ অধ্যয়নৰ এনে সমীক্ষাৰ পৰা স্পষ্টকৈ ক'ব পাৰি যে বিভিন্ন প্ৰসংগ-গ্ৰন্থ, গৱেষণা-গ্ৰন্থ আৰু আলোচনী-পত্ৰিকা, তথ্য-প্ৰযুক্তিৰ সহায় লোৱা হৈছে যদিও **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** শীৰ্ষক গৱেষণা বিষয়টোৰ স্বতন্ত্ৰ আৰু শৃংখলাবদ্ধ আলোচনা বৰ্তমানলৈকে হোৱা নাই। গতিকে বিষয়টোৰ গৱেষণাই গৱেষক আৰু সাধাৰণ পঢ়ুৱৈক উপকৃত কৰিব বুলি আশা কৰা যায়।

**০.৬ প্ৰাক্-কল্পনা ঃ**

প্ৰস্তাৱিত গৱেষণা বিষয়টোৰ অধ্যয়নকাৰ্যৰ প্ৰাক্-কল্পনাসমূহ এনে ধৰণৰ— বিষয়টোৰ অধ্যয়নে বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ স্বৰূপ আৰু বৃদ্ধ-মনস্তত্ত্ব প্ৰতিফলিত

অসমীয়া উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মনৰ জটিলতাসমূহ অৱগত কৰিব। **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** গৱেষণাৰ বিষয়টোৱে অসমীয়া উপন্যাস-সাহিত্যত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ স্থান স্পষ্ট কৰিব। পুৰুষ আৰু মহিলা বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনা অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসে পোহৰলৈ আনিব বুলি আশা কৰিব পাৰি। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০) আৰু বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰে অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ভাব আৰু লক্ষণৰ পৰিৱৰ্তন স্পষ্ট ৰূপত বিশ্লেষণ কৰিব। গৱেষণাৰ বিষয়টোৱে সাম্প্ৰতিক সমাজত বৃদ্ধসকলৰ মনৰ নতুন জটিলতাৰ স্বৰূপ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত স্পষ্ট কৰিব আৰু বাৰ্ধক্যজনিত বিবিধ সমস্যাৰ সমাধানৰ পথ নিৰ্ণয় কৰিব পাৰিব বুলি দৃঢ়তাৰে ক'ব পৰা যায়। ভৱিষ্যতে আৰু অধিক স্পষ্ট ৰূপত বৃদ্ধ-মনস্তত্ত্বমূলক বিষয়ৰ সাহিত্যচৰ্চাৰ পথ মুকলি হ'ব বুলি আশা কৰিব পাৰি।

■■■■